জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৩৬/২০২০

# শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ৱেব চাইট মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তেওঁৰ চৰকাৰী বাসভৱনৰ পৰা ডিব্ৰুগড় জিলাৰ চাবুৱাস্থিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ৱেব চাইট মুকলি কৰে।

ৱেব চাইট মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ বিশ্ববিদ্যায়লয়ে এক শক্তিশালী যাত্ৰা আৰম্ভ কৰিছে। বিশ্ববিদ্যালয়খনে অকল ক্ৰীড়াখণ্ডৰে নহয় ইয়াৰ আনুসংগিক দিশসমূহ বিকশাই তোলাৰ ক্ষেত্ৰটো গুৰুত্বপূৰ্ণ অৰিহণা যোগাবলৈ সক্ষম হ'ব। তেওঁ কয় যে এই বিশ্ববিদ্যালয়ে খেলুৱৈ সকলক প্ৰতিযোগিতামুখী কৰি তোলাৰ বাবে এক উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হ'ব। তেওঁ লগতে কয় যে আমাৰ নতুন প্ৰজন্মৰ খেলুৱৈসকলক বিজ্ঞানসন্মতভাৱে খেলাৰ বাবে পৰিৱেশ গঢ়ি তুলিব। দেশ তথা বিশ্ব পৰ্যায়ত এই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীয়ে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হ'ব। ক্ৰীড়াই মানৱতাৰ লগতে সামাজিক জীৱনো উজ্জীৱিত কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক গুৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নামেৰে এই বিশ্ববিদ্যালয়ৰ নামকৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰি কয় যে এই বিশ্ববিদ্যালয়খনে ক্ৰীড়াৰ বিকাশ সাধন কৰাৰ লগতে সফল খেলুৱৈ গঢ়ি তোলাৰ ক্ষেত্ৰটো দায়বদ্ধতাৰে আগুৱাই যাবলৈ সক্ষম হ'ব।

ৱেব চাইট মুকলি কৰাৰ সময়ত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য জে পি বাৰ্মা, পঞ্জীয়ক সঞ্জয় দত্ত, কাৰ্যবাহী সদস্য ড° পৰমানন্দ সোণোৱাল, নিৰঞ্জন শইকীয়া, প্ৰফেচাৰ এম এন দত্ত প্ৰমুখ্যে অন্যান্য সকল উপস্থিত থাকে।

**পুঃডেঃ /বঃভাঃ**
**৬/১১/২০২০**